# 2 0 1 5

## ASSAMESE

( Major )

Paper : 5.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×৭=৭

(ক) বৈষ্ণৱ কবিসকলে শ্ৰীকৃষ্ণ বিষয়ক কাব্যৰচনাৰ বাবে কোনখন গ্ৰন্থক আধাৰ গ্ৰন্থ হিচাপে গ্ৰহণ কৰিছে?

(খ) ব্ৰজবুলি ভাষাক 'কনিষ্ঠতম সৰ্বভাৰতীয় সাধু আৰ্যভাষা' বুলি কোনগৰাকী পণ্ডিতে কৈছে?

(গ) 'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা' গ্ৰন্থ দুখন বিদ্যাপতিয়ে কি ভাষাত ৰচনা কৰিছিল?

(ঘ) 'মৈথিল কোকিল' বুলি কোনজন কবিক কোৱা হয়?

(ঙ) অসমত ব্ৰজবুলি সাহিত্যৰ ইতিহাস কোন সময়ৰ পৰা আৰম্ভ হৈছে?

(চ) মন্দিৰ বাহিৰ কঠিন কবাট।
চলইতে শঙ্কিল পঙ্কিল বাট॥

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা ?

(ছ) মাধৱদেৱে ৰচনা কৰা বাৎসল্য ৰসৰ গীতসমূহক কোনগৰাকী হিন্দী কবিৰ গীতৰ সৈতে তুলনা কৰিব পাৰি ?

২। উত্তৰ লিখা : ২×৪=৮

(ক) "অনুখন মাধৱ মাধৱ সুমৰাইত সুন্দৰি ভেলি মধাঈ।"

কবিতাংশ কোনগৰাকী কবিৰ ৰচনা ? ইয়াত 'সুন্দৰি' বুলি কাৰ কথা কোৱা হৈছে ?

(খ) মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰথম বৰগীতটি তেওঁ ক'ত আৰু কেতিয়া ৰচনা কৰিছিল ?

(গ) উৰিষ্যাৰ বৈষ্ণৱ সাহিত্যৰ শ্ৰেষ্ঠ কবিগৰাকীৰ নাম কি ? তেওঁ কোনজন ৰজাৰ ৰাজকৰ্মচাৰী ৰূপে বিদ্যানগৰত ৰাজশাসন চলাইছিল ?

(ঘ) গোবিন্দদাস কোন ঠাইৰ কবি ? শ্ৰীজীৱ গোস্বামীয়ে তেওঁক কি উপাধিৰে সন্মানিত কৰিছিল ?

৩। ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) আজু মথুৰা পুৰি মিলব মহোৎসৱ
মাধৱ সাধৱ মান।
গোকুলক মঙ্গল দূৰ গয়ো নাহি
বাজত বেণু বিষাণ॥

(খ) জোহি নিজানন্দ সুখহি সম্পন্ন
সো হৰি মানুষ ভাৱত ৰি।
জশোৱাক তন পানহি সন্তোষ
দীন মাধৱে ৰস গাৱত ৰি॥

(গ) দামিনী দশ দিশ ধাব।
নিককৃণ কান্ত না আব॥
সজনি কাহে কৰব দিন বঞ্চ।
জীবইতে ভেল অশঞ্চ॥

(ঘ) ভালহি সিন্দূৰ ভানু-কিৰণ জনু
তঁহি চাৰু-চন্দন-বিন্দু।
মুখ হেৰি লাজসে সায়ৰে লুকায়ল
দিনে দিনে খীণ ভৈল ইন্দু॥

(ঙ) ঘন ঘন ঝন ঝন বজৰ নিপাত।
শুনইতে শ্ৰবণ মৰম জৰি যাত॥

৪। (ক) ব্ৰজবুলি ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

বিদ্যাপতি কোন সময়ৰ কবি? তেওঁৰ কাব্যপ্ৰতিভা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ২+৮=১০

(খ) 'ব্ৰজবুলি-গীতি-গুচ্ছ'ৰ অন্তৰ্গত 'মাথুৰ বিৰহ' শীৰ্ষক গীতসমূহত বিৰহৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণেৰে সৈতে আলোচনা কৰা। ১০

*অথবা*

অসমৰ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গীতসমূহৰ সৈতে অন্যান্য বৈষ্ণৱ কবিসকলৰ গীতৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ ফঁহিয়াই দেখুওৱা। ১০

(গ) মাধৱদেৱৰ ৰচনাত বাৎসল্যৰস সম্পৰ্কে 'চিৰন্তন মাতৃ'ৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

ব্ৰজবুলি সাহিত্যৰ অন্তৰ্গত নায়িকাৰ প্ৰকাৰভেদ উল্লেখ কৰি 'কলহান্তৰিতা নায়িকা' আৰু 'অভিসাৰিকা নায়িকা' সম্পৰ্কে উদ্ধৃতিসহ আলোচনা কৰা। ২+৪+৪=১০

★★★